নগাওঁ জিলা বিজেপিৰ কাৰ্যালয়ত আয়োজিত সংবাদমেলত ৰাজ্যিক বিজেপিৰ মুখপাত্ৰ ৰঞ্জিব কুমাৰ শৰ্মাই উমৈহতীয়া দেৱানী বিধিৰ সন্দৰ্ভত বিভিন্ন তথ্য দাঙি ধৰে। তেওঁ এই দেৱানী বিধিক খিলঞ্জীয়াৰ ৰক্ষাকৱচ তথা নাৰীৰ অধিকাৰ আৰু সাহসৰ দলিল বুলি মন্তব্য কৰে।

০০০০০০০০০

উত্তৰ-পূৱ পৰিষদৰ ৭৩ সংখ্যক পূৰ্ণাংগ অধিবেশন কাইলৈ মেঘালয়ৰ ৰাজধানী শ্বিলঙত অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় গৃহমন্ত্ৰী তথা উত্তৰ পূৱ পৰিষদৰ অধ্যক্ষ অমিত শ্বাহৰ সভাপতিত্বত হ'বলগীয়া এই বৈঠকত অঞ্চলটোৰ গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহৰ উন্নয়নৰ বাবে গঠন কৰা মুখ্যমন্ত্ৰী উচ্চ পৰ্যায়ৰ কাৰ্যবাহিনীয়ে লাভ কৰা অগ্ৰগতিৰ বিষয়ে আলোচনা কৰা হ'ব। অধিবেশনত পৰ্যটন, কৃষি আৰু উদ্যানশস্য, বিনিয়োগৰ প্ৰসাৰ, অৰ্থনৈতিক কৰিড'ৰৰ উন্নয়ন, আন্তঃগাথনি আৰু যোগাযোগ তথা হস্ততাঁত আৰু হস্তশিল্প সন্দৰ্ভত উপস্থাপন কৰা হ'ব।

০০০০০০০০০

কৃষি বিভাগে ৰাজ্যত নতুন কৃষি বিপ্লৱৰ সূচনা কৰিবলৈ জৈৱিক কৃষি পদ্ধতিৰ প্ৰতি কৃষকসকলক আকৰ্ষিত কৰিবলৈ বিশেষ প্ৰচেষ্টা চলাইছে। ইয়াৰ অংশ হিচাপে ধেমাজী জিলা কৃষি বিভাগে কালি জিলাখনৰ মাছখোৱাত এখন সজাগতা সভা অনুষ্ঠিত কৰে। এই সভাত জৈৱিক কৃষিৰ বাবে উপযোগী ভূমি চিনাক্তকৰণ, ভৱিষ্যতৰ সম্ভাৱনা, কৃষি পদ্ধতি জৈৱিকভাৱে উৎপাদিত কৃষি সামগ্ৰীৰ বজাৰ দখল আদিৰ সন্দৰ্ভত সবিশেষ অৱগত কৰা হয়। এই কাৰ্যসূচীত ৰাজ্যৰ কৃষি সঞ্চালকালয়ৰ যুটীয়া সঞ্চালক মানৱজ্যোতি দাসৰ লগতে জিলা কৃষি বিভাগৰ কেইবাগৰাকীও জ্যেষ্ঠ বিষয়া এই কাৰ্যসূচীত উপস্থিত থাকে। উল্লেখযোগ্য যে, ৰাজ্যত জৈৱিকভাৱে উৎপাদিত অন্যান্য সামগ্ৰীৰ লগতে জহা আৰু বাওধানৰ চাউলৰ আন্তঃৰাষ্ট্ৰীয় বজাৰত ব্যাপক চাহিদাৰ প্ৰতি লক্ষ্য ৰাখি ৰাজ্যৰ কৃষি বিভাগে সমগ্ৰ ৰাজ্যতে জৈৱিক কৃষিক উৎসাহ যোগোৱাৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০০০

মাহমৰাৰ বিধায়ক সুৰুজ দিহিঙীয়াই আজি মৰাণ পৌৰ সভাৰ পদেন সদস্য হিচাপে শপতগ্ৰহণ কৰে। বিধায়কগৰাকীৰ পৌৰ সভাৰ সদস্য হিচাপে শপতগ্ৰহণে জনপ্ৰতিনিধি আৰু স্থানীয় নগৰ প্ৰশাসনৰ মাজৰ সমন্বয় অধিক শক্তিশালী কৰাৰ উপৰি চৰকাৰী সেৱাসমূহ জনসাধাৰণে লাভ কৰাটো সুনিশ্চিত কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে। এই অনুষ্ঠানত চৰাইদেউ জিলা আয়ুক্ত ড০ নেহা যাদৱকে ধৰি জিলা প্ৰশাসনৰ কেইবাগৰাকী বিষয়া উপস্থিত থাকে।

০০০০০০০০০

ধেমাজি জিলাৰ জোনাই বনবিভাগে কবুচাপৰি সংৰক্ষিত বনাঞ্চলত অভিযান চলাই চোৰাংকৈ গছ কটা তিনিজন লোকক আটক কৰে। আৰক্ষীয়ে লগতে গছ কাটিবলৈ ব্যৱহাৰ কৰা ভালেসংখ্যক সামগ্ৰীও জব্দ কৰে। আমাৰ ধেমাজিৰ সংবাদদাতাই জনোৱা মতে, জোনাই বনবিভাগৰ অধীনৰ তিনিমাইলৰ প্ৰস্তাৱিত কবুচাপৰি সংৰক্ষিত বনাঞ্চলত বনৰক্ষী বাহিনীয়ে আজি অভিযান চলাই গছ কাটি থকা অৱস্থাত সৰবৰাহকাৰী কেইজনক আটক কৰে। ধৃত লোককেইজন লাইকা-দধিয়া চাপৰিৰ নিৰ্মল গগৈ, শিৱঙ পাৰ আৰু বাম মিচং বুলি বনাঞ্চলিক বিষয়াগৰাকীয়ে জানিবলৈ দিয়ে। বনবিভাগে ইতিমধ্যে সৰবৰাহকাৰী কেইজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে।

০০০০০০০০০

সমাপ্ত